অসম

অসমৰ ভূমিত মেঘালয়ৰ বিদ্যালয় নির্মাণৰ অভিযোগ, দক্ষিণ কামৰূপত প্রশাসনৰ উচ্ছেদ অভিযান

দক্ষিণ কামৰূপৰ জালুকপাহাম নতুনবস্তিত অসমৰ ভূমিত অবৈধভাৱে নির্মাণ কৰা বিদ্যালয়ত প্রশাসনে চলালে বুলড'জাৰ।

প্রকাশ: ২৭ নৱেম্বৰ ২০২৬, নিশা ৮:০১



(NewzNow)

দক্ষিণ কামৰূপৰ অসম-মেঘালয় সীমান্তত অবৈধ নির্মাণকার্যৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্রহণ কৰিছে প্রশাসনে। অসমৰ ভূমিত মেঘালয়ে অবৈধভাৱে বিদ্যালয় গৃহ নির্মাণ কৰাৰ অভিযোগ উত্থাপন হোৱাৰ পাছতে জালুকপাহাম নতুনবস্তিত প্রশাসনে এক উচ্ছেদ অভিযান চলায়।

পলাশবাৰীৰ ৰাজহ চক্র বিষয়া ড০ অংকিতা শর্মাৰ নেতৃত্বত প্রশাসনৰ এটা দলে বুলড'জাৰ লৈ দুর্গম পাহাৰীয়া অঞ্চলটোত উপস্থিত হয়। উক্ত অভিযানত নির্মাণাধীন বিদ্যালয়খন ভাঙি পেলোৱা হয়। দিনৰ ভাগৰ পৰা আৰম্ভ হোৱা এই অভিযান নিশালৈকে অব্যাহত থাকে।



পলাশবাৰী, ছয়গাঁও আৰু বকো ৰাজহ চক্ৰৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তৰতী অৰ্ধশতাধিক গাঁৱত দীৰ্ঘদিন ধৰি ভূমি বেদখলৰ অভিযোগ উত্থাপন হৈ আহিছে। স্থানীয় লোকসকলৰ অভিযোগ অনুসৰি, অসমৰ ভূমিত বিভিন্ন ধৰণৰ নিৰ্মাণকাৰ্য চলাই মেঘালয়ে নিজৰ আধিপত্য বিস্তাৰৰ চেষ্টা চলাইছে।

সীমান্ত অঞ্চলত ভূমি সুৰক্ষাৰ ক্ষেত্ৰত বন বিভাগ আৰু আৰক্ষীৰ ভূমিকা সন্দৰ্ভতো স্থানীয়ভাৱে প্ৰশ্ন উত্থাপন হৈছে। সংশ্লিষ্ট বিভাগসমূহৰ পৰ্যাপ্ত তৎপৰতা নথকাৰ বাবেই এনে বেদখলৰ ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে।

সীমান্তৰ স্পৰ্শকাতৰ অঞ্চলটোত চলোৱা এই উচ্ছেদ অভিযানে দক্ষিণ কামৰূপত ব্যাপক চৰ্চা লাভ কৰিছে। অৱশ্যে ভূমিৰ মালিকানা আৰু বেদখলৰ অভিযোগৰ স্পষ্টতাৰ বাবে চৰকাৰী নথি-পত্ৰ আৰু প্ৰশাসনিক তদন্তৰ প্ৰয়োজনীয়তাৰ কথাও উল্লেখ কৰা হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7044/assam-meghalaya-border-eviction-school-demolished